জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৪/২০২১

# জিলাসমূহৰ শেহতীয়া ক'ভিড পৰিস্থিতি নিৰীক্ষণৰ বাবে মন্ত্ৰীসকলক জিলাভিত্তিক দায়িত্বভাৰ অৰ্পণ কৰিলে মুখ্যমন্ত্ৰীয়ে

**দিছপুৰ, ১২ মে' ঃ** ৰাজ্যখনৰ শেহতীয়া ক'ভিড পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি এক নিৰ্দেশনাৰ জৰিয়তে ৰাজ্যৰ কেবিনেট মন্ত্ৰীসকলক বিভিন্ন জিলাৰ নিৰীক্ষণৰ দায়িত্ব অৰ্পণ কৰিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে আজি এক নিৰ্দেশনাৰ জৰিয়তে ৰাজ্য চৰকাৰৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসক বৰপেটা, বজালী আৰু বঙাইগাঁও জিলাৰ ক'ভিড পৰিস্থিতি অবিৰতভাৱে নিৰীক্ষণৰ দায়িত্ব অৰ্পণ কৰিছে। ঠিক তেনেদৰে কৃষি বিভাগৰ মন্ত্ৰী অতুল বৰাক যোৰহাট আৰু গোলাঘাট, হস্ততাঁত আৰু বস্ত্ৰশিল্প বিভাগৰ মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মক কোকৰাঝাৰ, চিৰাং আৰু বাক্সা জিলা, উদ্যোগ আৰু বাণিজ্য বিভাগৰ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীক নলবাৰী, কামৰূপ আৰু ওদালগুৰি, পৰিৱেশ আৰু বন বিভাগৰ মন্ত্ৰী পৰিমল শুক্লবৈদ্যক কাচাৰ, হাইলাকান্দি আৰু কৰিমগঞ্জ, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী কেশৱ মহন্তক নগাঁও আৰু হোজাই, শিক্ষা বিভাগৰ মন্ত্ৰী ডাঃ ৰণোজ পেগুক ধেমাজি আৰু লখিমপুৰ, নগৰ উন্নয়ন বিভাগৰ মন্ত্ৰী অশোক সিংঘালক শোণিতপুৰ, দৰং আৰু বিশ্বনাথ, ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী যোগেন মহনক পশ্চিম কাৰ্বি আংলং, কাৰ্বি আংলং আৰু ডিমা হাছাও, চাহ জনজাতি কল্যাণ বিভাগৰ মন্ত্ৰী সঞ্জয় কিষাণক তিনিচুকীয়া আৰু ডিব্ৰুগড়, বিত্ত বিভাগৰ মন্ত্ৰী অজন্তা নেওগক ধুবুৰী আৰু লখিমপুৰ, জলসম্পদ বিভাগৰ মন্ত্ৰী পীযুষ হাজৰিকাক মৰিগাঁও আৰু গোৱালপাৰা, শক্তি বিভাগৰ মন্ত্ৰী বিমল বৰাক শিৱসাগৰ আৰু চৰাইদেউ জিলাৰ নিৰীক্ষণৰ দায়িত্ব অৰ্পণ কৰা হৈছে। আনহাতে, মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই মাজুলী জিলাৰ ক'ভিড পৰিস্থিতি নিৰীক্ষণ কৰিব।

নিৰ্দেশনাটোত মন্ত্ৰীসকলক তেওঁলোকক দায়িত্বভাৰ অৰ্পণ কৰা জিলাসমূহৰ ক'ভিড ৰোগীৰ সংখ্যা আৰু ক'ভিড পজিটিভৰ শতাংশ, বৰ্তমানৰ আৰু ক'ভিড ৰোগীৰ সংখ্যা বৃদ্ধি হ'লে হাস্পতালৰ বিচনা, চিকিৎসা কৰ্মী, আই চি ইউৰ সুবিধা, ঔষধ, অক্সিজেনৰ পৰ্যাপ্ততা, এম্বুলেঞ্চ ইত্যাদিৰ পৰ্যাপ্ততাৰ মূল্যায়ন, জিলাসমূহত ক'ভিড সম্বন্ধীয় বাধা-নিষেধৰ যথোচিত ৰূপায়নৰ নিৰীক্ষণ, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ তথা অন্যান্য বিভাগসমূহৰ সৈতে জিলা প্ৰশাসনৰ সমন্বয়ৰ দিশত নিৰ্দেশনা, জিলাসমূহৰ শেহতীয়া ক'ভিড পৰিস্থিতিৰ নিয়মীয়া তথ্যসমূহ মুখ্যমন্ত্ৰী আৰু স্বাস্থ্যমন্ত্ৰীক অৱগত কৰাৰ দায়িত্বভাৰ অৰ্পণ কৰা হৈছে।

**বঃভাঃ / পুঃডেঃ**
**১২/০৫/২০২১**